# গৰুৰ খাদ্য
## পশু পুষ্টি বিভাগ, অসম কৃষি বিশ্ববিদ্যালয়
## খানাপাৰা

অসম দেশৰ সংখ্যা পৃথিৱীৰ বেলেগ বেলেগ দেশৰ গৰুৰ সংখ্যাতকৈ বহুত বেছি, কিন্তু উৎপাদনৰ ক্ষেত্ৰত আমাৰ দেশ আন উন্নত দেশবোৰতকৈ বহুত পিছপৰা। বিশেষকৈ অসমৰ গৰুৰ উৎপাদন ক্ষমতা অলপো সন্তোষজনক নহয়। এনেকি ভাৰতৰ বেলেগ প্ৰদেশৰ গৰুৰ তুলনাত অসমৰ গৰুৰ উৎপাদন ক্ষমতা বৰ দুখলগা। ইয়াৰ মুখ্য কাৰণসমূহ হ'ল - (১) বংশগত গঠন (২) খাদ্য (৩) জলবায়ু আৰু (৪) প্ৰতিপালন।

জাত অনুসাৰে উৎপাদন ক্ষমতা কম-বেচি হোৱাটো বিজ্ঞানসন্মত কথা। জলবায়ু আৰু প্ৰতিপালনৰ প্ৰভাৱ উৎপাদন ক্ষমতাৰ ওপৰত যদিও যথেষ্ট দেখা যায়, তথাপিও বৈজ্ঞানিক সমীক্ষণৰ দ্বাৰা পৰীক্ষা কৰি পোৱা গৈছে যে গৰু পালনত খাদ্যতেই প্ৰায় ৭০/৭৫ ভাগ ধন খৰচ হয়। দেহ উৎপাদন আৰু উৎপাদন ক্ষমতাত খাদ্যৰ প্ৰভাৱ যথেষ্ট। গতিকে উৎপাদন ক্ষমতাসম্পন্ন গৰু পাবলৈ হ'লে বৈজ্ঞানিক প্ৰণালীৰে আহাৰ যোগান ধৰাটো নিতান্তই আৱশ্যক।

সাধাৰণতে দেখা যায় যে গৰুৰ খাদ্য দুই প্ৰকাৰত ভগাব পাৰি। যেনে - (১) কেঁচা বা শুকান ঘাঁহ (roughages) আৰু (২) দানা (concentrates)। এই দুয়োবিধ খাদ্য এটা নিৰ্দ্ধাৰিত অনুপাতে যোগান ধৰিব লাগে।

**খীৰতী গাইৰ দৈনন্দিন খাদ্য -**

| দেহৰ ওজন | ঘাঁহৰ পৰিমাণ | দানাৰ পৰিমাণ |
|---|---|---|
| ২০০ কিঃগ্ৰাঃ | ১৫-২০ কিঃগ্ৰাঃ | ৫০০ কিঃগ্ৰাঃ |
| ৩০০ কিঃগ্ৰাঃ | ২১-২৫ কিঃগ্ৰাঃ | ৭০০ কিঃগ্ৰাঃ |
| ৪০০ কিঃগ্ৰাঃ | ২৬-৩০ কিঃগ্ৰাঃ | ৮০০ কিঃগ্ৰাঃ |
| ৫০০ কিঃগ্ৰাঃ | ৩১-৪০ কিঃগ্ৰাঃ | ১ কিঃগ্ৰাঃ |

প্ৰতি লিটাৰ গাখীৰ উৎপাদনৰ বাবে ওপৰঞ্চি ৩৫০ গ্ৰামৰ পৰা ৪০০ গ্ৰাম হিচাবে দানা দিব লাগে।
তলত উল্লেখ কৰা উপাদানসমূহেৰে দানা তৈয়াৰ কৰিব পৰা যায়।

(১)

| উপাদানসমূহ | পৰিমাণ |
|---|---|
| চাউলৰ মল | ৬০ ভাগ |
| গমৰ ভূঁচি | ৩০ ভাগ |
| সৰিয়হৰ খলিহৈ | ৯ ভাগ |
| নিমখ | ১ ভাগ |
| মুঠ | ১০০ ভাগ |

(২)

| **উপাদানসমূহ** | **পৰিমাণ** |
|---|---|
| চাউলৰ মল | ৫০ ভাগ |
| গমৰ ভূঁচি | ৩০ ভাগ |
| সৰিয়হৰ খলিহৈ | ১৯ ভাগ |
| নিমখ | ১ ভাগ |
| মুঠ | ১০০ ভাগ |

গাভিনী গাইৰ খাদ্যত কেঁচা ঘাঁহৰ পৰিমাণ বেচি হ'ব লাগে। কাৰণ কেঁচা ঘাঁহত খাদ্যপ্ৰাণ 'ক' বেচি পৰিমাণে পোৱা যায়। খাদ্যপ্ৰাণ 'ক'ই দেহ গঠন আৰু দেহৰ পৰিপুষ্টি সাধনত যথেষ্ট সহায় কৰে। বিশেষকৈ গাভিনী হোৱাৰ ৬ মাহৰ পৰা ভাল পোৱালি পাবৰ বাবে গাইজনীৰ আহাৰত দানা আৰু দেহৰ ওজনৰ অনুপাতৰ উপৰিও ওপৰঞ্চি হিচাবে কেঁচা ঘাঁহৰ যোগান ধৰাতো অপৰিহাৰ্য্য।

*****